
পাঠ- ১০

## ওজন



L4E3R7

### কাৰ ওজন বেছি চাওঁ আহা





আকাশ, মাধুৰিমা, পৰাগ আৰু অনুৰাধা ঘৰৰ ওচৰতে থকা পাৰ্কখনলৈ খেলিবলৈ গৈছিল। পাৰ্কত থকা ঢেঁকীখনত আকাশ আৰু মাধুৰিমা উঠিল। মাধুৰিমাই বহুত চেষ্টা কৰিও আকাশক ওপৰলৈ তুলিব নোৱাৰিলে। কিয় বাৰু? এইবাৰ অনুৰাধা ঢেঁকীখনত মাধুৰিমাৰ পিছফালে বহিল। তেতিয়া আকাশ ঢেঁকীখনত ওপৰলৈ উঠিল।

### মনত পেলাওঁ আহা

তুলাচনীৰ গধুৰ বস্তু থকা কাঁহীখন তললৈ যায় আৰু পাতল বস্তু থকা কাঁহীখন ওপৰলৈ উঠে।

### কোন গধুৰ কোন পাতল চাওঁ আহা





অনুমান কৰা আৰু দুটাৰ ভিতৰত বেছি ওজনটোত (✓) চিন দিয়া।

[✓] [ ]

[✓] [ ]

[ ] [✓]

[ ] [✓]

[✓] [ ]

[✓] [ ]



[✓] [ ]


 

[✓] [ ]

## অনুমান কৰি কোৱা আৰু পিছত তুলাচনীত জুখি তোমাৰ অনুমান শুদ্ধনে চোৱা

*শিক্ষকলৈ নির্দেশনা ঃ* *এখন তুলাচনী আৰু ১০ গ্ৰাম, ২০ গ্ৰাম, ৫০ গ্ৰাম, ১০০ গ্ৰাম আদি দগা কিছুমান সংগ্ৰহ কৰি ছাত্ৰ-ছাত্ৰীক এই ক্ৰিয়া-কলাপটো কৰাব। ছাত্ৰ-ছাত্ৰীক প্ৰথমতে অনুমান কৰি ওজনবোৰ তালিকাত লিখিব আৰু পিছত জুখি চাই অনুমানৰ সত্যতা বিচাৰ কৰিবলৈ দিব।*















### তুমি পোৱা জোখবোৰ তালিকাত লিখা

| বস্তু | অনুমান কৰা ওজন | জুখি পোৱা ওজন (প্ৰকৃত জোখ প্ৰায়) |
|---|---|---|
| ৰবৰ | ২৫ গ্ৰাম | |
| ডাষ্টাৰ | ১০০ গ্ৰাম | |
| বাটি | ১০০ গ্ৰাম | |
| চামুচ | ৫০ গ্ৰাম | |
| গিলাচ | ১৫০ গ্ৰাম | |
| পেন্সিল বাকচ | ১০০ গ্ৰাম | |
| কলম | ১০ গ্ৰাম | |
| মাৰ্বল | ১০ গ্ৰাম | |
| খাৰু | ২০ গ্ৰাম | |

তলৰ যিবোৰ বস্তু ওজন কৰি বিক্ৰী কৰে তাত (✓) চিন দিয়া আৰু যিবোৰ বস্তু ওজন নকৰাকৈ বিক্ৰী কৰে তাত (×) চিন দিয়া।



✓





×




















মনত পেলাওঁ আহা

১ কিলগ্ৰাম = ১০০০ গ্ৰাম

২ কিলগ্ৰাম = ২০০০ গ্ৰাম

৩ কিলগ্ৰাম = ☐ গ্ৰাম

দগাৰ সলনি নিৰ্দিষ্ট ওজনৰ বস্তু ব্যৱহাৰ কৰি ১ কিলোগ্ৰাম সজাওঁ আহা



চাবোন
২০০গ্ৰাম



বিস্কুটৰ পেকেট
৫০০ গ্ৰাম



পাউডাৰৰ টেমা
১০০ গ্ৰাম




চাহপাতৰ পেকেট
২৫০ গ্ৰাম



টুথপেষ্ট
৫০গ্ৰাম

৩ টুকুৰা চাবোন + ৪ টা পাউদাৰৰ টেমা = ১ কি গ্ৰা

২০০ গ্ৰাম + ২০০ গ্ৰাম + ২০০ গ্ৰাম + ১০০ গ্ৰাম + ১০০ গ্ৰাম + ১০০ গ্ৰাম + ১০০ গ্ৰাম = ১ কি গ্ৰা

---

১ টা বিস্কুটৰ পেকেট + ——— টা পাউডাৰৰ টেমা = ১ কি গ্ৰা

................................ + ................................ = ১ কি গ্ৰা

---

——— টা টুথপেষ্ট + ——— টা চাহপাতৰ পেকেট = ১ কি গ্ৰা

................................ + ................................ = ১ কি গ্ৰা

---

——— টা বিস্কুটৰ পেকেট + ——— টা টুথপেষ্ট = ১ কি গ্ৰা

................................ + ................................ = ১ কি গ্ৰা

---

——— টুকুৰা চাবোন = ১ কি গ্ৰা

................ + ................ + ................ + ................ + ................ = ১ কি গ্ৰা

---

——— টা চাহপাতৰ পেকেট = ১ কি গ্ৰা

................ + ................ + ................ + ................ = ১ কি গ্ৰা

তলৰ বস্তুবোৰৰ ওজন দিয়া আছে। মুঠ ওজন কিমান লিখা

৫০০ গ্ৰাম    ৫০০ গ্ৰাম    =    ১০০০ গ্ৰাম

২০০ গ্ৰাম    ১০০ গ্ৰাম    =    ৩০০ গ্ৰাম

২৫০ গ্ৰাম    ২৫০ গ্ৰাম    =    ৫০০ গ্ৰাম







২৫০ গ্ৰাম    ১০০ গ্ৰাম    =    ৩৫০ গ্ৰাম


 


১ কি গ্ৰা    ১ কি গ্ৰা    =    ২ কিগ্ৰা

তলৰ তুলাচনীকেইখনত দুয়োফালৰ ওজন সমান হ'বলৈ খালী বাকচটোত লুকাই থকা ওজনটো লিখা



**যোগ কৰা**

(ক) ২০ গ্ৰাম +১০ গ্ৰাম =................ গ্ৰাম

(খ) ৫০ গ্ৰাম + ২০ গ্ৰাম =................. গ্ৰাম

(গ) ২৫ কিলোগ্ৰাম + ১১ কিলোগ্ৰাম =................ কিলোগ্ৰাম

**যোগ কৰা**

(ক)

| কিলোগ্ৰাম | গ্ৰাম |
|---|---|
| ৪ | ৫০ |
| + ৬ | ৩০ |
| | |

(খ)

| কিলোগ্ৰাম | গ্ৰাম |
|---|---|
| ২ | ১০০ |
| + ৫ | ৩০০ |
| | |

(গ)

| কিলোগ্ৰাম | গ্ৰাম |
|---|---|
| ৫ | ৬০ |
| + ৩ | ৩০ |
| | |

(ঘ)

| কিলোগ্ৰাম | গ্ৰাম |
|---|---|
| ৩১ | ২০ |
| + ৭০ | ৩০ |
| | |

(ঙ)

| কিলোগ্ৰাম | গ্ৰাম |
|---|---|
| ১০ | ৩০ |
| + ১৫ | ২২ |
| | |

(চ)

| কিলোগ্ৰাম | গ্ৰাম |
|---|---|
| ৬০ | ২৭ |
| + ৩৫ | ৪৪ |
| | |

**বিয়োগ কৰা**

(ক)

| কিলোগ্ৰাম | গ্ৰাম |
|---|---|
| ৫ | ১৭০ |
| - ২ | ৫০ |
| | |

(খ)

| কিলোগ্ৰাম | গ্ৰাম |
|---|---|
| ৭ | ৪০০ |
| - ৪ | ২০০ |
| | |

(গ)

| কিলোগ্ৰাম | গ্ৰাম |
|---|---|
| ১০ | ২০০ |
| - ৮ | ১০০ |
| | |

(ঘ)

| কিলোগ্ৰাম | গ্ৰাম |
|---|---|
| ৫ | ১২৫ |
| - ২ | ১০০ |
| | |

(ঙ)

| কিলোগ্ৰাম | গ্ৰাম |
|---|---|
| ১৫ | ৩০ |
| - ১০ | ২২ |
| | |

(চ)

| কিলোগ্ৰাম | গ্ৰাম |
|---|---|
| ৭৮ | ২২ |
| - ২৭ | ০৫ |
| | |

## সমাধান কৰোঁ আহা

(ক) ৪০ কিলোগ্ৰাম আলু ৫ কিলোগ্ৰামকৈ ভাগ কৰিলে কেইটা ভাগ পোৱা যাব?

৫ ) ৪০

(খ) ২৫ কিলোগ্ৰাম মচুৰ দাইল সমানে ৫ ভাগ কৰিলে প্ৰতিভাগত কিমান কিলোগ্ৰামকৈ মচুৰ দাইল থাকিব?

(গ) আয়ানৰ দেউতাকে বজাৰলৈ গৈ ৫ কিলোগ্ৰাম চাউল, ২ কিলোগ্ৰাম চেনি, ১ কিলোগ্ৰাম পিঁয়াজ কিনি মোনাত ভৰালে। আয়ানৰ দেউতাকৰ মোনাত কিমান ওজনৰ বস্তু সোমাল?

(ঘ) বিদ্যালয়ৰ মধ্যাহ্ন ভোজনৰ বাবে ৫০ কিলোগ্ৰামৰ চাউলৰ এটা বস্তাৰ পৰা ৰান্ধনিয়ে প্ৰথম দিনা ১৫ কিলোগ্ৰাম, দ্বিতীয় দিনা ১৭কিলোগ্ৰাম আৰু তৃতীয় দিনা ১২কিলোগ্ৰাম চাউল ব্যৱহাৰ কৰিলে। বস্তাটোত কিমান চাউল বাকী থাকিল?

(ঙ) ৰোহনৰ দেউতাকে খেতিৰ আলুবোৰৰ পৰা প্ৰতিদিনে ৫ কিলোগ্ৰামকৈ বজাৰত বিক্ৰী কৰে। ৰোহনৰ দেউতাকে ১ সপ্তাহত কিমান আলু বিক্ৰী কৰিলে কোৱা? এইদৰে জানুৱাৰী মাহত মুঠ কিমান আলু বিক্ৰী কৰিলে?

(১ সপ্তাহত ৭ দিন আৰু জানুৱাৰী মাহত ৩১ দিন)

## সমাধান কৰোঁ আহা

(চ) কাবেৰীৰ ওজন ৩৬ কিলোগ্ৰাম ৫০০ গ্ৰাম। তাইৰ ভনীয়েকৰ ওজন ৩১ কিলোগ্ৰাম ২০ গ্ৰাম। দুয়োজনীৰ মুঠ ওজন কিমান? ভনীয়েকৰ ওজন কাবেৰীতকৈ কিমান কম?

(ছ) প্ৰণৱৰ পেহীয়েকে ৪ কিলোগ্ৰাম ৫০০ গ্ৰাম ওজনৰ আম আৰু মধুৰিআম কিনিলে। মধুৰিআমৰ ওজন আছিল ২ কিলোগ্ৰাম ২৫০ গ্ৰাম। আমৰ ওজন কিমান?

(জ) হৰিধনৰ দোকানত ৩০ কিলোগ্ৰাম ২৫০ গ্ৰাম চেনি আছিল। তাৰে তেওঁ ২৫ কিলোগ্ৰাম ১২০ গ্ৰাম বেচিলে। তেওঁৰ দোকানত কিমান চেনি বাকী ৰ'ল? যদি হৰিধনে নতুনকৈ ১৭ কিলোগ্ৰাম ৫০০ গ্ৰাম চেনী কিনি আনে, দোকানত মুঠ কিমান চেনী থাকিব?

(ঝ) মাঘ বিহুৰ সময়ত ৰমলাৰ দেউতাকে তেওঁলোকৰ পুখুৰীৰ পৰা ২৩ কিলোগ্ৰাম মাছ মাৰিলে। তাৰে তেওঁ ওচৰৰ ৯ ঘৰ পৰিয়ালক ২ কিলোগ্ৰামকৈ মাছ ভগাই দি বাকীখিনি নিজৰ কাৰনে ৰাখিলে। ৰমলাৰ দেউতাকে নিজৰ কাৰণে কিমান মাছ ৰাখিলে?

(ঞ) মধুৱে দোকানৰ পৰা ১ কিলোগ্ৰাম চাউল আনিলে। মাকে তাৰে ৪০টা ঘিলা পিঠা ভাজিলে। ১২০ টা ঘিলা পিঠা ভাজিবলৈ কিমান চাউল লাগিব?